# 1 (Sem–4/FYUGP) ASS 42 MJ

## 2026

### ASSAMESE

( Major )

Paper : ASS4400204MJ

( ভাষা-বিজ্ঞান পৰিচয় )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) 'Language' গ্ৰন্থৰ লেখক কোন?

(খ) প্ৰাকৃতি কিহেৰে গঠিত?

(গ) কিহৰ সহায়ত মানুহে ধ্বনি উচ্চাৰণ কৰে?

(ঘ) IPAৰ সম্পূৰ্ণ ৰূপটো লিখা।

(ঙ) উপভাষা সৃষ্টিৰ যি কোনো এটি কাৰণ উল্লেখ কৰা।

(চ) বাক্যত ব্যৱহৃত পদৰ বিন্যাসক কি বুলি কোৱা হয়?

(ছ) মান্য ভাষা বুলিলে কি বুজা?

(জ) বাক্যত সুৰ উঠা-নমা কৰা কাৰ্যক কি বুলি কোৱা হয়?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) উচ্চাৰণকৰণ আৰু উচ্চাৰণৰ স্থান বুলিলে কি বুজা?

(খ) পাণিনি কোন শতিকাৰ ব্যাকৰণবিদ আছিল? তেখেতৰ দ্বাৰা ৰচিত ব্যাকৰণখনৰ নাম উল্লেখ কৰা।

(গ) বিভক্তি আৰু প্ৰত্যয়ৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(ঘ) মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতিৰ এটাকৈ উদাহৰণ দিয়া।

(ঙ) স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(চ) অসমীয়া ভাষাৰ দুটা উপসৰ্গ লিখা।

(ছ) বিভাজ্য ধ্বনিৰ দুটা উদাহৰণ দিয়া।

(জ) সামাজিক উপভাষা সৃষ্টিৰ দুটা কাৰক উল্লেখ কৰা।

(ঝ) দুটা মিশ্ৰ ভাষাৰ উদাহৰণ দাঙি ধৰা।

(ঞ) মানৱীয় ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাষা-বিজ্ঞানক 'বিজ্ঞান' বুলি কিয় কোৱা হয়, চমুকৈ লিখা।

(খ) ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি চমু টোকা প্ৰস্তুত কৰা।

(গ) শ্বাসাঘাতৰ বিষয়ে চমুৱাই আলোচনা কৰা।

(ঘ) নাম বিভক্তিৰ বিষয়ে এটি টোকা লিখা।





(ঙ) বাক্যতত্ত্ব সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(চ) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি বুলিলে কি বুজা? চমুকৈ লিখা।

(ছ) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় বুলিলে কি বুজা? উদাহৰণ সহিতে চমুকৈ আলোচনা কৰা।

(জ) প্ৰাকৃতিবিজ্ঞানৰ অন্তৰ্গত বিষয়বোৰ চমুকৈ আলোচনা কৰা।

৪। তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) ভাষাৰ শ্ৰেণীবিভাজনৰ প্ৰয়োজনীয়তা উল্লেখ কৰি আকৃতিগত শ্ৰেণীবিভাজনৰ বিষয়ে বিতংকৈ আলোচনা কৰা।

(খ) ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাৰ বিষয়ে উল্লেখ কৰি এটি নিবন্ধ লিখা।

(গ) ধ্বনি আৰু বিশিষ্টধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঘ) ব্যাকৰণগত উপাদান বুলিলে কি বুজা? অসমীয়া ভাষাৰ লিংগ ব্যাকৰণগত উপাদান হয় নে নহয়, উদাহৰণসহ আলোচনা কৰা।

(ঙ) ভাষা সম্প্ৰদায় বুলিলে কি বুজা? এটা ভাষা সম্প্ৰদায়ৰ মাজত ভাষিক ভিন্নতা থাকেনে? এই ভাষিক ভিন্নতা কেনেধৰণৰ হয়, আলোচনা কৰা।

★★★